**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ডিব্ৰুগড়ত আজি অসম মন্ত্ৰীসভাৰ বৈঠকৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় মহানগৰৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত দ্বিতীয়বাৰৰ বাবে বৈঠক হ'ব। বিয়লি ৪ বজাৰ পৰা হ'বলগীয়া বৈঠকে ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ে সামৰি ল'ব। বৈঠকত অংশ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিয়লি ডিব্ৰুগড়ত উপস্থিত হ'ব। এই ভ্ৰমণকালত তেওঁ উজনি অসমৰ কেইখনো সমজিলাৰ লগতে সমষ্টি পৰ্যায়ৰ চৰকাৰী উন্নয়নমূলক কাম-কাজৰো পৰ্যালোচনা কৰিব।

oooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনায়। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধক্ষ্যতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপনৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনাইছে। নতুন দিল্লীত কালি সাংবাদিকৰে সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপন কৰাটো অসমবাসীৰ দীৰ্ঘদিনীয়া দাবী আছিল। এই দাবী পূৰণ কৰাৰ বাবে সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰি কয় যে মুখ্যমন্ত্ৰীগৰাকীৰ তৎপৰতাই বিষয়টো আগবঢ়াই নিয়াত সহায় কৰিছিল।

oooooo

কেন্দ্ৰীয় চৰকাৰে আমেৰিকা সদৃশ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে অসমত ৩ লাখ কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত কালি অসমৰ কেইবাগৰাকীও সাংসদৰ প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। অসমৰ বিভিন্ন ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কামৰ অগ্ৰগতিৰ বিষয়ে সদনক অৱগত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৫ হাজাৰ ৮০০ কোটি টকাৰ ব্যয়েৰে ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিংৰোড প্ৰকল্পৰ কাম ২০২৭ চনৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। তেওঁ কয়, যে গুৱাহাটীৰ পৰা বৰাপানী হৈ শিলচৰলৈ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ অন্য এটা পৰিৱেশ অনুকুল কৰিড'ৰ নিৰ্মাণৰ যো-জা চলাই থকা হৈছে। কাজিৰঙাৰ মাজেদি উৰণ সেঁতু নিৰ্মাণৰ বাবে ছহেজাৰ কোটিটকীয়া প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী গাডকাৰীয়ে কয়, যে ১৬৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ আন এটা চাৰিটা লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কামো অনুমোদন লাভৰ পৰ্যায়ত আছে। চৰকাৰে ১২ হাজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ তলেৰে এটা সুৰংগ নিৰ্মাণ কৰিব আৰু এই প্ৰকল্পৰ বাবে শীঘ্ৰে অনুমোদন প্ৰদান কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম গণ পৰিষদৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই উত্থাপন কৰা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী গাডকাৰীয়ে কয়, যে গুৱাহাটী

ৰিং ৰোড প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু বাইহাটা চাৰিআলি, নাৰেংগী আৰু সোণাপুৰৰ মাজৰ ৫৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা পৰিৱেশ অনুকুল কৰিড'ৰ হিচাপে গঢ়ি তোলা হ'ব। এই প্ৰকল্পৰ অধীনত ব্ৰহ্মপুত্ৰৰ অধীনত এখন ছটা লেনযুক্ত দলঙো নিৰ্মাণ কৰা হ'ব।

ইপিনে, বিজেপি সাংসদ ভূৱনেশ্বৰ কলিতাৰ আন এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী গাডকাৰীয়ে কয়, যে কাজিৰঙাৰ ওপৰেদি নিৰ্মাণ কৰিবলগীয়া উৰণসেতুৰ কাম আৰম্ভ হৈছে আৰু এই প্ৰকল্পৰ বাবদ ছহেজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱে গুৱাহাটী-ইম্ফল আৰু আইজলৰ পৰা বৰাক উপত্যকা সংযোগী ৬, ৩০৬ আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ঘাইপথ নিৰ্মাণৰ বাবে পুঁজিৰ অভাৱ নাই যদিও এই ঘাইপথসমূহৰ ভৌগোলিক অৱস্থান বৰ দুৰ্গম। অঞ্চলটোত আটাইতকৈ বেছি বৃষ্টিপাতৰ লগতে ভূমিস্খলনৰ ঘটনাও সততে ঘটে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এনে ৭টা স্থান চিনাক্ত কৰা হৈছে আৰু এই স্থান কেইটাত নিৰ্মাণ কাৰ্য চলোৱাৰ বাবে ছুইজাৰলেণ্ড আৰু অষ্ট্ৰিয়াৰ সহায় লোৱা হ'ব। প্ৰয়োজন সাপেক্ষে আই আই টিৰ পৰাও প্ৰযুক্তিগত সহায় লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

শ্ৰী গাডকাৰীয়ে কয়, যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহত কাম সম্পূৰ্ণ হৈ উঠিলে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিনিয়োগ বৃদ্ধি পাব আৰু কৰ্ম সংস্থাপনৰ ন ন সুযোগ সৃষ্টি হ'ব। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি নিৰ্মাণত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

কেন্দ্ৰীয় ঔদ্যোগিক আৰু বৈজ্ঞানিক গৱেষণা পৰিষদৰ অধীনৰ যোৰহাটত থকা উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ নেইষ্টৰ কোটিটকীয়া কেলেংকাৰি সন্দৰ্ভত চলি থকা তদন্তৰ অংশ হিচাপে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চমুকৈ চিবিআইয়ে এটা ব্যৱসায়িক প্ৰতিষ্ঠানত কালি তালাচী চলায়। চিবিআইয়ে মিলন নগৰত থকা পৱন বৰা নামৰ এজন ব্যৱসায়ীৰ প্ৰতিষ্ঠানৰ গুদামত কেইবাঘণ্টা ধৰি তালাচী চলাই বিভিন্ন নথি-পত্ৰ পৰীক্ষা কৰে। উল্লেখযোগ্য যে এই প্ৰতিষ্ঠানটোৱে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানক ৰাসায়নিক সামগ্ৰী যোগান ধৰি আহিছিল। এই সামগ্ৰী যোগানৰ নামত অনিয়ম আৰু বিত্তীয় কেলেংকাৰি হোৱা বুলি তদন্তকালত চিবিআইয়ে তথ্য লাভ কৰে। ইয়াৰ ভিত্তিতে দলটোৱে আছাম কেমিকেলৰ গুদামতো তালাচী চলায়।

০০০০০০

উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত যোৱা ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চলৈ আঠদিনীয়া কাৰ্যসূচীৰে গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাত কালি জিলা প্ৰশাসনৰ সহযোগত যুৱ সংসদৰ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক দিগন্ত হাতীবৰুৱাই আঁত ধৰা এই কৰ্মশালাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। এই কৰ্মশালাত ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষাৰ্থীসকলে যুৱ সংসদৰ আৰ্হি প্ৰদৰ্শন কৰে।

০০০০০০

২০২৫ বৰ্ষৰ গুণোৎসৱৰ ফলাফল অহা ২৭ মাৰ্চত ঘোষণা কৰা হ'ব। সেইদিনা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই ফলাফলসমূহ ঘোষণা কৰা হ'ব। এই অনুষ্ঠানত ২০২৪ বৰ্ষৰ গুণোৎসৱত এ-প্লাছ পোৱা ৰাজ্যৰ ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰা হ'ব। সমগ্ৰ শিক্ষা অসমে এখন জাননীৰ জৰিয়তে এইকথা প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত